গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade

# Report on Seminar/Workshop conducted by Assamese Department



**Overview**

Name of the Seminar/conference/workshop: **“Asomiya Bhasat Mukta Saikhik Samal: Aharan Aru Byaher"**
Type of Activity: National Workshop
Venue: Zoom Platform
Date: 01/06/2022
Time: 6.30pm
Resource person:Dr. Swapna Bora, Assistant Professor, Teaching and Learning Centre, Tezpur University

**Flyer**



গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

### About The Program

A national level workshop on 'Open Educational Resources in Assamese: Acquisition and Use' was held at the Gargaon College, Sivasagar, on 1st June 2022, The workshop organized by the Assamese Department of Gargaon College and in collaboration with Gargaon Branch Sahitya Sabha. The workshop was inaugurated by Dr. Sabyasachi Mahanta, Principal of the College, who explained the importance and relevance of the topic in the current context. He also said that there is a need to pay attention to accuracy, reliability etc. in the selection of open educational resources. After the welcome speech by Head of Assamese Department and Associate Professor Nilakhi Chetia. Dr. Swapna Bora, Assistant Professor, Teaching and Learning Centre, Tezpur University discussed the concept of open educational resources, various sources, uses and copyright, plagiarism etc. with the participants. The resource person informed about the available websites like old Assamese books, magazines etc. and said that proper search and proper use of open educational resources will surely benefit the students. After the speech, the resource person answered various questions of the participants. The seminar was attended by more than 200 teachers, researchers and students from different parts of Assam.

### Rationality of the program

To create awareness among the students for proper search and proper use of open educational resources.

### Media Coverage

### Link for the List of participants

### Newspaper cutting



। গৈছে। অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথে উপস্থিত থাকি কৰা অনুষ্ঠানটোত সমাজপ্ৰাণ জগত । ইফালে ভাৰতী

**গড়গাঁও মহাবিদ্যালয়ত 'অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল ঃ আহৰণ-ব্যৱহাৰ' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা**

**ষ্টাফৰিপৰ্টাৰ শিৱসাগৰ, ২ জুনঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত যোৱা ১ জুন তাৰিখে 'অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল: আহৰণ আৰু ব্যৱহাৰ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত বিষয়টোৰ গুৰুত্ব তথা প্ৰাসংগিকতা ব্যাখ্যাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই কৰ্মশালাখনৰ শুভ উদ্বোধন কৰি কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যক নতুন আয়তন প্ৰদানত সহায় কৰিব। তদুপৰি মুক্ত শৈক্ষিক সমল নিৰ্বাচনৰ ক্ষেত্ৰত শুদ্ধতা, নিৰ্ভৰযোগ্যতা ইত্যাদি দিশৰ প্ৰতিও গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি তেখেতে মত প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ শিকন কেন্দ্ৰৰ সহকাৰী প্ৰাধ্যাপক ড° স্বপ্না বৰাই অংশগ্ৰহণকাৰীসকলক মুক্ত শৈক্ষিক সমলৰ ধাৰণা, বিভিন্ন উৎস, ব্যৱহাৰ তথা কপিৰাইট, প্লেজাৰিজম ইত্যাদি দিশ সামৰি বিস্তৃত ৰূপত আলোচনা কৰে। পুৰণি অসমীয়া কিতাপ, আলোচনী, পত্ৰিকা ইত্যাদি উপলব্ধ ৱেবছাইটসমূহৰ বিষয়ে অৱগত কৰি সমল ব্যক্তিগৰাকীয়ে কয় যে মুক্ত শৈক্ষিক সমলৰ সঠিক সন্ধান আৰু উপযুক্ত ব্যৱহাৰে শিক্ষাৰ্থীসকলক নিশ্চিতভাৱে উপকৃত কৰিব। বক্তব্যৰ অন্তত সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইৰ দুইশতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই সমল ব্যক্তি ড° স্বপ্না বৰাৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়। তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ৰুণজুন হাজৰিকা আৰু দেৱযানী বকলীয়ালৰ লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায়। তথ্যসমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে।

**Photograph from the program**




